**মহদ আলি**

***বনাম***

**আজাদ মহদ**

**১ ছেপ্টেম্বৰ, ১৯৯৯**

**[মুখ্য ন্যায়াধীশ ড° এ.এচ. আনন্দ, ন্যায়াধীশ এচ. ৰাজেন্দ্ৰ বাবু আৰু ন্যায়াধীশ আৰ.চি. লাহতী]**

*জনপ্ৰতিনিধিত্ব আইন, ১৯৫১:*

*ধাৰা ৮১ (১) – নিৰ্বাচন – নিৰ্বাচনী আবেদন – দাখিল কৰাৰ বাবে সীমাবদ্ধতা – গ্ৰীষ্মকালীন বন্ধ শেষ হোৱাৰ পাছত পঞ্জাৱ আৰু হাৰিয়ানা উচ্চ ন্যায়ালয়ত নিৰ্বাচন আবেদন দাখিল কৰা হ'ল – গ্ৰীষ্মকালীন বন্ধৰ সময়ত সময়সীমা পাৰ হ'ল – উচ্চ ন্যায়ালয়ৰ ২৭.১১.১৯৯৫ তাৰিখৰ অধিসূচনাত উল্লেখ কৰা হয় যে নিৰ্বাচনী আবেদনসমূহৰ শুনানিৰ বাবে গ্ৰীষ্মকালীন বন্ধৰ সময়ত আদালত "বন্ধ" নাছিল – ৰায় দিয়া হ'ল যে অধিসূচনাখনতে থকা ব্যতিক্ৰমৰ বাবেই নিৰ্বাচনী আবেদনখন দাখিল কৰাৰ সময়সীমা পাৰ হৈ গৈছিল – সাধাৰণ দফা আইন, ১৮৯৭ – ধাৰা ১০ – উচ্চ ন্যায়ালয় ন্যায়াধীশ (সেৱাৰ চুক্তিসমূহ) আইন, ১৯৫৪ – ধাৰা ২৩-এ – সীমাবদ্ধতা আইন, ১৯৬৩ – ধাৰা ৫।*

*লচ্চমন দাস অৰোৰা* **বনাম** *গণেশী লাল আৰু অন্যান্য,* **পৰিপূৰক (২) এচ.চি.আৰ. ১৭৪-ৰ ওপৰত নিৰ্ভৰ কৰা হৈছে।**

দেৱানী আপীলীয় অধিকাৰক্ষেত্ৰ: ১৯৯৮-ৰ দেৱানী আবেদন সংখ্যা ৪৪৫।

১৯৯৬-ৰ ই.পি. সংখ্যা ২৪-ত পঞ্জাব আৰু হাৰিয়ানা উচ্চ ন্যায়ালয়ৰ ৪.৭.৯৭ তাৰিখৰ ৰায়দান আৰু আদেশৰ পৰা।

আবেদনকাৰীৰ হৈ বি.এচ. মালিক, আলতাফ হুছেইন, আৰু ড° কে.এচ. চৌহান।

উত্তৰদাতাৰ হৈ জে.এচ, আত্ৰী আৰু এচ. খান।

আদালতৰ নিম্নলিখিত আদেশ প্ৰদান কৰা হ'ল:

উত্তৰদাতাৰ নিৰ্বাচনত প্ৰত্যাহ্বান জনাই আবেদনকাৰীৰ দ্বাৰা দাখিল কৰা নিৰ্বাচনী আবেদনখন সীমাবদ্ধতাৰ প্ৰাৰম্ভিক উত্থাপনত পঞ্জাব আৰু হাৰিয়ানা উচ্চ ন্যায়ালয়ৰ বিদ্বান নিৰ্বাচন ন্যায়াধীশে ১৯৯৭-ৰ ৪ জুলাইত বিচাৰ অবিহনে খাৰিজ কৰে। এই আবেদনৰ জৰিয়তে উচ্চ ন্যায়ালয়ৰ এই আদেশটো আমাৰ সন্মুখত বিষয়বস্তু হিচাপে উত্থাপন কৰা হৈছে।

তথ্যসমূহ সম্পৰ্কে কোনো বিবাদ নাই। উচ্চ ন্যায়ালৰ গ্ৰীষ্মকালীন বন্ধৰ সময়ছোৱাত, অৰ্থাৎ ১ জুন, ১৯৯৬-ৰ পৰা ৩০ জুন, ১৯৯৬ (দুয়োটা দিন অন্তৰ্ভুক্ত)-ৰ ভিতৰত নিৰ্বাচনী আবেদন দাখিল কৰাৰ বাবে বিহিত কৰা ৪৫ দিনৰ সময় পাৰ হৈ গৈছিল। স্বীকাৰ্যভাৱে নিৰ্বাচনী আবেদনখন গ্ৰীষ্মকালীন বন্ধৰ পাছত উচ্চ ন্যায়ালয় পুনৰ খোলাৰ দিনা অৰ্থাৎ ১৯৯৬-ৰ ১ জুলাই তাৰিখে দাখিল কৰা হৈছিল। বিদ্বান নিৰ্বাচন ন্যায়াধীশগৰাকীয়ে উচ্চ ন্যায়ালয়ৰ দ্বাৰা ১৯৯৫-ৰ ২৭ নৱেম্বৰ তাৰিখে জাৰি কৰা অধিসূচনাখনৰ কাৰ্যকাৰিতা বিবেচনা কৰে আৰু ৰায় দিয়ে যে

উচ্চ ন্যায়ালয় পুনৰ খোলা দিনাখন দাখিল কৰা নিৰ্বাচনী আবেদনখন দাখিল কৰাৰ সময়সীমা পাৰ হৈ গৈছিল কিয়নো নিৰ্বাচনী প্ৰতিবেদন আদিৰ শুনানিৰ বাবে গ্ৰীষ্মকালীন বন্ধৰ সময়ছোৱাত আদালতখন "বন্ধ" নাছিল।

১৯৯৯-ৰ ১ ছেপ্টেম্বৰত সিদ্ধান্ত গ্ৰহণ কৰা *লচ্চমন দাস অৰোৰা* **বনাম** *গণেশী লাল আৰু অন্যান্য,* দেৱানী আবেদন সংখ্যা ৮৩৪৩/৯৭-ত গ্ৰীষ্মকালীন বন্ধৰ সময়ছোৱাত সীমাবদ্ধতাৰ বিহিত সময়ছোৱা পাৰ হৈ যোৱাৰ পাছত উচ্চ ন্যায়ালয়খন গ্ৰীষ্মকালীন বন্ধৰ পাছত খোলাৰ দিনাখন নিৰ্বাচনী আবেদনখন দাখিল কৰা সন্দৰ্ভত ১৯৯৫-ৰ ২৭ নৱেম্বৰৰ একেখন অধিসূচনাৰে কাৰ্যকাৰিতা এই আদালতে বিবেচনা কৰিছিল। জনপ্ৰতিনিধিত্ব আইনৰ বিধিসমূহ আৰু সাধাৰণ দফা আইন, ১৮৯৭-ৰ ধাৰা ১০-লৈ লক্ষ্য ৰাখি এই আদালতে এই সিদ্ধান্তত উপনীত হৈছিল যে অধিসূচনাখনত থকা ব্যতিক্ৰমৰ বাবেই নিৰ্বাচনী আবেদনখন দাখিল কৰাৰ সময়সীমা পাৰ হৈ গৈছিল। উক্ত গোচৰত প্ৰকাশ কৰা মতামত এই গোচৰতো সম্পূৰ্ণৰূপে প্ৰযোজ্য। *লচ্চমন দাস অৰোৰা*-ৰ গোচৰত (উপৰোক্ত) বিচাৰপীঠখনে প্ৰদান কৰা যুক্তি আমি এই গোচৰতো গ্ৰহণ কৰিছোঁ।

এই পৰিস্থিতিৰ সন্মুখীন হৈ আবেদনকাৰীৰ হৈ হাজিৰ হোৱা বিজ্ঞ অধিবক্তা শ্ৰী বি.এচ. মালিকে পঞ্জাৱ আৰু হাৰিয়ানা উচ্চ ন্যায়ালয়ে ১৯৯৬-ৰ ২৭ মে'ত জাৰি কৰা অন্য এখন অধিসূচনা দাখিল কৰে আৰু যিহেতু পৰৱৰ্তী অধিসূচনাখনত কোনো ব্যতিক্ৰম নাছিল, সেয়েহে সাধাৰণ দফা আইন, ১৮৯৭-ৰ ধাৰা ১০-ৰ সুবিধা গ্ৰীষ্মকালীন বন্ধৰ পাছত উচ্চ ন্যায়ালয় খোলাৰ দিনা নিৰ্বাচনী প্ৰতিবেদন দাখিল

কৰাৰ বাবে এগৰাকী নিৰ্বাচনী আবেদনকাৰীৰ হাতত উপলব্ধ হ'ব। ১৯৯৬-ৰ ২৭ মে' তাৰিখৰ নিৰ্ভৰ কৰা অধিসূচনাখন তলত উল্লেখ কৰা হ'ল –

"নং ২০৭/সাধা. XVII. ৩. – সাধাৰণ তথ্যৰ বাবে অৱগত কৰা হৈছে যে চণ্ডীগড়ৰ পঞ্জাব আৰু হাৰিয়ানা উচ্চ ন্যায়ালয়ে ১৯৯৬-ৰ ১ জুনৰ পৰা ৩০ জুনলৈ (দুয়োটা দিন অন্তৰ্ভুক্ত) গ্ৰীষ্মকালীন বন্ধ পালন কৰিব আৰু বন্ধৰ সময়ছোৱাত, অৰ্থাৎ ১ জুন, ১৯৯৬-ৰ পৰা ৩০ জুন, ১৯৯৬-লৈ, তলত উল্লেখ কৰা সময়সমূহ পালন কৰিব লাগিব।

আদালতৰ সময়: পুৱা ১০ বজাৰ পৰা আবেলি ৪ বজালৈ, দুপৰীয়াৰ আহাৰৰ বিৰতি দিনৰ ১ বজাৰ পৰা ১:৪৫ বজালৈ।

কাৰ্যালয়ৰ সময়: পুৱা ১০ বজাৰ পৰা আবেলি ৫ বজালৈ, দুপৰীয়াৰ আহাৰৰ বিৰতি দিনৰ ১:৩০ বজাৰ পৰা ২ বজালৈ।

মাননীয় ভাৰপ্ৰাপ্ত মুখ্য ন্যায়াধীশ আৰু ন্যায়াধীশসকলৰ আদেশৰ দ্বাৰা।

(চহী)

সহকাৰী পঞ্জীয়ক (সাধাৰণ)

পঞ্জীয়কৰ হৈ"

আমাৰ মত অনুসৰি, সীমাবদ্ধতাৰ সময়সীমা ৰক্ষা কৰিবৰ বাবে এই অধিসূচনাৰ ওপৰত নিৰ্ভৰ কৰাতো ভুল হৈছে। ২৭ মে’, ১৯৯৬ তাৰিখৰ অধিসূচনাখনে ২৭ নৱেম্বৰ, ১৯৯৫ তাৰিখে উচ্চ ন্যায়ালয়ে জাৰি কৰা তাৰ পূৰ্বৱৰ্তী অধিসূচনাখন কোনোপ্ৰকাৰে বাতিল নকৰে। ২৭ মে’, ১৯৯৬ তাৰিখৰ অধিসূচনাখন ২৭ নৱেম্বৰ, ১৯৯৫ তাৰিখৰ অধিসূচনাখনৰ পৰিপূৰক হিচাপে পঢ়িব লাগিব কাৰণ পৰৱৰ্তী অধিসূচনাখনত গ্ৰীষ্মকালীন বন্ধৰ সময়ছোৱাত আদালতৰ সময় আৰু কাৰ্যালয়ৰ সময় বিহিত কৰা হৈছে। ২৭ নৱেম্বৰ, ১৯৯৫ তাৰিখৰ অধিসূচনাখনৰ কাৰ্যকাৰিতা ২৭ মে’, ১৯৯৬ তাৰিখৰ অধিসূচনাখনে কোনোপ্ৰকাৰে হ্ৰাস কৰা নাই, আৰু তাৰ বিপৰীতে, পৰৱৰ্তী অধিসূচনাখনে আদালত আৰু কাৰ্যালয়ৰ সময় বিহিত কৰাৰ জৰিয়তে গ্ৰীষ্মকালীন বন্ধৰ সময়ছোৱাত আদালতৰ কাৰ্যাৱলী সম্পাদন হোৱাৰ ধৰণ নিৰ্দিষ্ট কৰিছে। সেয়েহে দুয়োখন অধিসূচনা একেলগে পঢ়া উচিত।

শ্ৰী মালিকে তাৰপাছত দাখিল কৰে যে উচ্চ ন্যায়ালয় ন্যায়াধীশ (সেৱাৰ চৰ্তাৱলী) আইন, ১৯৫৪-ৰ ধাৰা ২৩-এ-ৰ অধীনত সময়ে সময়ে নিৰ্দিষ্ট কৰা সময়ৰ বাবে সকলো উচ্চ ন্যায়ালয়ে বন্ধ বা বন্ধসমূহ পালন কৰিব আৰু বন্ধৰ সময়ছোৱাত কোনো কাৰণৰ বাবে আদালত “খোলা” বুলি বিবেচনা কৰা নহ’ব। এই যুক্তিত এক মৌলিক ভ্ৰান্তি আছে। এই বিধিসমূহৰ লগত উচ্চ ন্যায়ালয়ৰ কাৰ্যক্ষমতাৰ কোনো সম্বন্ধ নাই। বন্ধৰ সময়ছোৱাত আদালতৰ কাৰ্যাৱলীৰ সম্পাদন উচ্চ ন্যায়ালয় ন্যায়াধীশ (সেৱাৰ চৰ্তাৱলী) আইন, ১৯৫৪-ৰ দ্বাৰা নিয়ন্ত্ৰণ কৰা নহয়, বৰঞ্চ তাৰ বাবে উচ্চ ন্যায়ালয়ে জাৰি কৰা অধিসূচনাৰ দ্বাৰাহে হয়।

আমি ওপৰত উল্লেখ কৰা সকলোখিনি কথাৰ বাবে আমি এই আবেদনত কোনো যুক্তিযুক্ততা বিচাৰি পোৱা নাই। আবেদনখন ব্যয়ৰ সৈতে খাৰিজ কৰা হৈছে।

আৰ.পি. আবেদন খাৰিজ কৰা হ’ল।

* * * * * * * *

অনুবাদ – ভাস্বতী গোস্বামী, কনিষ্ঠ অনুবাদক, গৌহাটী উচ্চ ন্যায়ালয়

DISCLAIMER

"The translated judgment in vernacular language is meant for the restricted use of the litigant to understand it in his/her language and may not be used for any other purpose. For all practical and official purposes, the English version of the judgment shall be authentic and shall hold the field for the purpose of execution and implementation".

(“স্থানীয় ভাষালৈ অনুদিত এই ৰায় গোচৰত জড়িত পক্ষই বুজি পোৱাৰ উদ্দেশ্যে সীমিত ব্যৱহাৰৰ বাবেহে। ইয়াৰ বাবে অন্য ক্ষেত্ৰত অনুদিত ৰূপ ব্যৱহৃত নহ’ব। সকলো ব্যৱহাৰিক আৰু বিভাগীয় কামৰ লগতে ৰায়ৰ কাৰ্যকৰীকৰণ আৰু ৰূপায়ণৰ ক্ষেত্ৰতো এই ৰায়ৰ ইংৰাজী সংস্কৰণটোৱেই সঠিক বিবেচিত হ’ব।”)